জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩৩২/২০২১**

# প্ৰাক্তন মন্ত্ৰী আব্দুল মুহিব মজুমদাৰৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ০৩ নৱেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী, জ্যেষ্ঠ অধিবক্তা তথা আইনজ্ঞ আব্দুল মুহিব মজুমদাৰৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে জীৱনকালত একান্ত নিষ্ঠাৰে আব্দুল মুহিব মজুমদাৰে ৰাজ্যখনৰ সমাজ জীৱন তথা ৰাজনৈতিক ক্ষেত্ৰৰ সৈতে জড়িত থাকি যি অৰিহণা আগবঢ়াই গ'ল সেয়া ৰাজ্যবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। ৰাজ্য চৰকাৰৰ এগৰাকী মন্ত্ৰী হিচাপে নিজৰ কাৰ্যকালত তেখেতে বিভিন্ন বিভাগৰ দায়িত্ব নিষ্ঠাৰে পালন কৰি গৈছে। এইগৰাকী প্ৰাক্তন মন্ত্ৰী, বিশিষ্ট ৰাজনীতিক তথা আইনজ্ঞৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত আব্দুল মুহিব মজুমদাৰৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ / নিঃকুঃদাঃ**
**০৩-১১-২০২১**